আমাৰ অসম

যোৰহাট, শনিবাৰ ■ ১ ফাগুন, ১৯৪৭ শক
■ ১৪ ফেব্ৰুৱাৰী ২০২৬

# ‘প্যাৰ কিয়া তো দৰনা ক্যা’

তৃতীয় শতিকাৰ ৰোমান সম্ৰাট দ্বিতীয় ক্লডিয়াছ অনবৰত যুদ্ধত লিপ্ত হৈ থাকিব লগা হৈছিল আৰু যুদ্ধৰ বাবে সৈনিকৰ অভাৱ হৈছিল। সম্ৰাটে দেখিছিল যে ডেকা ল'ৰাবোৰে যুদ্ধলৈ যোৱাতকৈ বিয়া পাতি ঘৰ-সংসাৰ কৰিবলৈহে অধিক আগ্ৰহী। সেয়েহে নিজৰ সৈন্যবাহিনীৰ বাবে সৈনিক নিয়োগ কৰিবলৈ তেওঁ ডেকা ল'ৰাৰ বিয়া নিষিদ্ধ কৰিছিল। কিন্তু সম্ৰাটৰ নিষেধাজ্ঞাৰ পাছতো মৃত্যুকো নেওচা দি ডেকাসকল প্ৰেমত পৰিছিল। ১৯৬০ চনৰ এখন ধ্ৰুপদী চিনেমা ‘মোগল এ আজম'ৰ সেই বিখ্যাত গানটোত গীতিকাৰ চকিল বদায়ুনীয়ে লিখিছিল— ‘যব প্যাৰ কিয়া তো দৰনা ক্যা’ — ভাল পাইছোঁ যেতিয়া কিহলৈ ভয় কৰিবলগীয়া আছে? গানটোৰ সুৰ দিছিল নৌচাদে আৰু গাইছিল লতা মংগেশকাৰে। আকবৰৰ পুত্ৰ ছেলিম আৰু ৰাজসভাৰ নাচনী আনাৰকলিৰ মাজত গঢ়ি উঠিছিল প্ৰেমৰ সম্পৰ্ক। বাদশ্বাহ আকবৰ আছিল এই সম্পৰ্কৰ বিৰোধী। ভৱিষ্যতৰ মোগল সাম্ৰাজ্যৰ বাদশ্বাহৰ পত্নী কেনেকৈ এজনী সাধাৰণ নাচনী হ'ব পাৰে? এই আনাৰকলিয়েই নিজৰ ভালপোৱাৰ বাবে স্বয়ং মোগল সম্ৰাট আকবৰকো অমান্য কৰিছিল। আনাৰকলিক জীৱন্তে সমাধিস্থ কৰা হৈছিল। প্ৰেমিক-প্ৰেমিকাই মৰিবলৈ ভয় নকৰে। কলা-শিল্প-সংস্কৃতিত এটা অন্যতম চৰ্চিত বিষয়— হয়তো সৰ্বাধিক চৰ্চিত বিষয় হ'ল প্ৰেম। ৰোমিঅ'-জুলিয়েট, চিৰি-ফৰহাদ, লাইলা-মজনু, চোনী-মহিৱালৰ দৰে প্ৰেমিক যুটিৰ কাহিনী পৃথিৱীৰ সকলো দেশৰ, সকলো সংস্কৃতিৰ, সকলো ভাষাৰ ঐতিহ্যতে পোৱা যায়। আমাৰ প্ৰথমখন উপন্যাস ৰজনীকান্ত বৰদলৈৰ ‘মিৰি জীয়ৰী’ও জংকি-পানেইৰ প্ৰেম কাহিনী। মহাকবি দান্তে আৰু বিয়েট্ৰিছৰ প্ৰেম কাহিনী আৰু আমাৰ চণ্ডীদাস আৰু ৰামী ধুবুনীৰ প্ৰেম কাহিনীয়ে প্ৰেমৰ আন এক সুকীয়া মাত্ৰা প্ৰকাশ কৰে।

ৰোমান সম্ৰাট ক্লডিয়াছৰ নিষেধাজ্ঞাকো কেৰেপ নকৰি, মৃত্যুকো নেওচা দি ডেকা-গাভৰু প্ৰেমত পৰিছিল। আৰু সেই প্ৰেমিক-প্ৰেমিকাক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল ছেইণ্ট ভেলেণ্টাইন। ভেলেণ্টাইনে সম্ৰাটৰ নিষেধাজ্ঞাক অমান্য কৰি প্ৰেমিক-প্ৰেমিকাৰ বিয়া পাতি দিছিল। ইয়াৰ ফলত ছেইণ্ট ভেলেণ্টাইন সম্ৰাটৰ ৰোষত পৰিছিল। তেওঁক আটক কৰা হৈছিল আৰু ২৭০ চনৰ ১৪ ফেব্ৰুৱাৰীত ছেইণ্ট ভেলেণ্টাইনক মৃত্যুদণ্ড দিয়া হৈছিল। প্ৰেমৰ পক্ষত থিয় দিয়া, প্ৰেমিক-প্ৰেমিকাৰ মিলনৰ পৃষ্ঠপোষকতা কৰা আৰু তাৰবাবে মৃত্যুবৰণ কৰা ছেইণ্ট ভেলেণ্টাইনৰ স্মৃতিত ১৪ ফেব্ৰুৱাৰীত ভেলেণ্টাইন দিৱসৰ প্ৰেমৰ দিনৰূপে পৃথিৱীজুৰি পালন কৰা হয়।

প্ৰেমিক-প্ৰেমিকাৰ ৰূপত নায়ক-নায়িকা, তেওঁলোকৰ মিলনত বাধাৰূপে থিয় দিয়া সম্ৰাট ক্লডিয়াছৰ ৰূপত খলনায়ক বা ভিলেইন, আৰু প্ৰেমিক-প্ৰেমিকাৰ মিলনত সহায়ক হোৱা ছেইণ্ট ভেলেণ্টাইনৰ দৰে বন্ধু। এইকেইটা উপাদানেৰে আটাইতকৈ সুন্দৰ প্ৰেমৰ কাহিনী গঢ় লৈ উঠে। এইকেইটা উপাদানেৰে পৃথিৱীৰ সকলো ভাষাত কিমান গল্প-উপন্যাস লিখা হ'ল, কিমান চিনেমা নিৰ্মাণ কৰা হ'ল, কিমান গান ৰচনা কৰা হ'ল তাৰ কোনো লেখ-জোখ নাই। এজনী ধনী ঘৰৰ ছোৱালীৰ প্ৰেমত পৰা দুখীয়া ডেকা আৰু দুয়োৰে প্ৰেম কাহিনীত ভিলেইনৰ ৰূপত অৱতীৰ্ণ হোৱা ছোৱালীৰ দেউতাক, আৰু দুয়োৰে মিলনৰ বাবে সহায়কৰ ৰূপত অৱতীৰ্ণ হোৱা বন্ধু বা প্ৰেমিকাৰ মাক বা কোনোবা আত্মীয়— এনে কাহিনীৰে আমাৰ দেশত অলেখ চিনেমা নিৰ্মাণ হৈছে। নায়ক-নায়িকা, ভিলেইন আৰু সহায়ৰ বাবে আগবাঢ়ি অহা ছেইণ্ট ভেলেণ্টাইনৰূপী প্ৰেমৰ বন্ধুৰ প্ৰায় একেটা কাহিনী নিৰ্মিত চিনেমাকে মানুহে বাৰে বাৰে চাইছে, একেটা কাহিনীৰ উপন্যাসকে মানুহে বাৰে বাৰে পঢ়িছে। প্ৰেমতকৈ আন একোৰে আবেদন অধিক হ'ব নোৱাৰে, প্ৰেমতকৈ আন একো জনপ্ৰিয় হ'ব নোৱাৰে। ইংৰাজীত কয়— everybody loves a lover, প্ৰেমত পৰাজনক সকলোৱে ভাল পায়— ভিলেইনৰ বাহিৰে!

ছেইণ্ট ভেলেণ্টাইন এটা বিদেশী কাহিনী। কিন্তু প্ৰেম সাৰ্বজনীন। সেয়েহে লাইলা-মজনু আৰু ৰোমিঅ'-জুলিয়েটৰ আবেদন সাৰ্বজনীন। লাইলা-মজনু বা ৰোমিঅ'-জুলিয়েটৰ দেশ-জাতি-ধৰ্ম কি সি সম্পূৰ্ণ অপ্ৰাসংগিক। আৰু প্ৰেমিক-প্ৰেমিকাৰ মিলনৰ বাবে মৰিবলৈ সাজু হোৱা ছেইণ্ট ভেলেণ্টাইনৰ আবেদনো সেয়েহে সাৰ্বজনীন। ছেইণ্ট ভেলেণ্টাইন কোনো বিশেষ দেশ-জাতি-ধৰ্মৰ গণ্ডিত আৱদ্ধ নহয়। ছেইণ্ট ভেলেণ্টাইনৰ আবেদন বিশ্বজনীন।

হিংসা-বিদ্বেষ-বিভেদ-যুদ্ধৰে ভৰা পৃথিৱীখনত এতিয়াও মানুহ প্ৰেমত পৰি আছে। কেইটামান ভিলেইনক বাদ দি পৃথিৱীৰ সৰহসংখ্যক মানুহ এতিয়াও প্ৰেমৰ পক্ষত। ই এক আশাৰ বতৰা। কিন্তু লগতে চিন্তাজনক বিষয়টো হ'ল বহু যুৱক-যুৱতীয়ে ইতিমধ্যে মানুহ প্ৰেমিক বা প্ৰেমিকাৰ ঠাইত কৃত্ৰিম বুদ্ধিমত্তা বা এআই প্ৰেমিক-প্ৰেমিকাক বাছি লৈছে। এআয়ে প্ৰেমৰ ক্ষেত্ৰখনতো বেদখল আৰম্ভ কৰিছে।

# গণতন্ত্ৰত ভোটাৰৰ অস্তিত্বৰ সংকট আৰু শোষণৰ ৰাজনীতি

●●● বিধানসভা নিৰ্বাচনৰ ৰণদুণ্ডুভি বজাবলৈ সাজু হৈছে ৰাজনৈতিক দলবোৰ। তেওঁলোকক লাগে মাথোঁ নিৰ্বাচনৰ দিন-বাৰ। ইয়াৰ বাবে দলবোৰক ৰাইজৰ ওচৰ চাপিবলৈ শক্তিশালী নিৰ্বাচনী ইছ্যুৰ প্ৰয়োজন; কংগ্ৰেছে যদি বৰ অসমৰ কথা কৈছে, ঠিক তেনেদৰে এনডিএই মিঞামুক্ত অসমৰ কথাৰে নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ যো-জা চলাইছে। কংগ্ৰেছ দলৰ সৈতে আন বিৰোধী দলে জোঁটবন্ধনেৰে নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰি শাসনৰ সুবিধা ল'ব বিচাৰিছে ●●●

■ কুশল কুমাৰ দাস

ভাৰতীয় গণতন্ত্ৰত সংবিধানে নিৰ্ধাৰণ কৰি দিয়া ১৮ বছৰৰ উৰ্ধ্বৰ সকলো লোকে জন্মসূত্ৰে ভোটাধিকাৰ লাভ কৰে। ভোটাৰ হিচাপে মৰ্যাদা পোৱাৰ পাছতে ৰাজনৈতিক দলবোৰৰ প্ৰধান লক্ষ্য ভোটাৰক নিজৰ দলৰ প্ৰতি আকৰ্ষিত কৰা আৰু ভোটাৰৰ উদ্দেশ্য হ'ব লাগে যোগ্য প্ৰাৰ্থীক ভোটদানেৰে জয়যুক্ত কৰা। ভোটাৰৰ ওপৰতে নিৰ্ভৰ কৰে এখন সুস্থ-সবল গণতান্ত্ৰিক চৰকাৰ। বৰ্তমান ৰাজনৈতিক দলৰ ভোটাৰকেন্দ্ৰিক মনোনিৱেশ দৃষ্টিকটুভাৱে নিম্নগামী হৈছে। ক্ষমতা হস্তগত কৰি ৰখোৱা নতুবা ক্ষমতাৰ আশাত ব্যস্ত থকা দলবোৰে নানা কূটকৌশলৰ আশ্ৰয় ল'বলৈ কুণ্ঠাবোধ নকৰে। ইয়াৰ ফলত সামাজিক স্তৰত ৰাজনৈতিক অনুশাসনহীনতাই গ্ৰাস কৰিছে। সকলোতে ভোটাৰকেন্দ্ৰিক ৰাজনীতি মূল কথা হৈ পৰিছে। এনে এক পৰিস্থিতিত ভোটাৰ ৰাইজৰ স্থিতি সঠিক হোৱাৰ ওপৰতে ভৱিষ্যৎ গণতন্ত্ৰ বৰ্তি থাকিব। চৰকাৰী আঁচনিৰ লক্ষ্য হৈছে কল্যাণকামী ৰাষ্ট্ৰত দুখীয়া লোকক স্বাস্থ্য-শিক্ষা-বাসস্থান-খাদ্যাদি সুলভ মূল্যত যোগান ধৰা; এয়া ৰাষ্ট্ৰৰ দায়িত্ব আৰু কৰ্তব্য। নাগৰিকৰ পৰম শক্তিসম্পন্ন ভোটৰ প্ৰতি যিকোনো ৰাজনৈতিক দল কিম্বা নেতাই নিকৃষ্ট প্ৰলোভনৰ কৌশল ৰচনা কৰি ক্ষমতা হস্তগত কৰে আৰু শাসনৰ সময়ছোৱাত জনতাৰ সেৱাৰ সলনি নিজৰ উদৰ পূৰোৱা কামত ব্যস্ত থাকে বাবে গণতন্ত্ৰ বিপৰ্যস্ত হয়। এজন নাগৰিকে মতদানৰ জৰিয়তে জনপ্ৰতিনিধি বাছনি কৰাৰ নিজা অধিকাৰ থাকে, এই অধিকাৰক যদি চক্ৰান্তৰে ক্ৰয় কৰি এটা ৰাজনৈতিক দল কিম্বা নেতাই নিজৰ ৰাজনৈতিক ক্ষমতা সুনিশ্চিত কৰাৰ কামত ব্যৱহাৰ কৰে, তেতিয়া দেশৰ গণতান্ত্ৰিক প্ৰমূল্যবোধত মামৰ ধৰাটো স্বাভাৱিক। বৰ্তমান দেশৰ চুকে-কোণে সকলো ৰাজনৈতিক দলে জনতাক মোহাচ্ছন্ন কৰি ৰখা প্ৰতিযোগিতাত লিপ্ত হৈছে। এনে এক ক'লাজ্বৰে ছানি ধৰা পৰিৱেশত মুষ্টিমেয় বিবেকৱান ভোটাৰ ৰাইজ বিবুধিত পৰা স্বাভাৱিক। নিজৰ বিবেক-বুদ্ধিৰ প্ৰতি সচেতনসকল শ'লঠেকত পৰা সাধাৰণ কথা হৈ পৰিছে। বিবেক ভোট আৰু বিবেক বিক্ৰী যোৱা দুয়োটা শ্ৰেণীৰ লোকৰ অস্তিত্ব এতিয়া বিপন্ন। আগন্তুক দিনত যি দলৰ চৰকাৰে শাসন কৰিব, তেওঁলোকৰ অধীনত জনতাই ভেল্কিবাজী ৰঙীণ আঁচনিৰ চক্ৰবেহুত সোমাব। জনতাৰ মুখ বন্ধ কৰা ৰাজনীতিত সৃষ্টিশীল চিন্তা-দৰ্শনৰ আত্মপ্ৰকাশ কেতিয়াও নঘটে; মুখ খুলি কথা ক'ব নোৱাৰে, নিজৰ লগতে জাতিৰ অধিকাৰৰ বিষয়ে মাত মাতিব নোৱাৰে, চৰকাৰী চাকৰিয়াল মানে হিতাহিত জ্ঞান বন্ধকত দিয়া চাকৰ হৈ থাকিব লাগে, ইত্যাদি। গণতন্ত্ৰত সকলো ব্যক্তিৰে নিজা ৰাজনৈতিক দৰ্শন থাকিব পাৰে। চৰকাৰৰ ভৃত্য হ'লেও নিজৰ অনুভৱৰ কথা প্ৰকাশ কৰাৰ অধিকাৰ সংবিধানে দিছে। কিন্তু দেশত তেনে পৰিৱেশ এতিয়া নাই। সকলো মানুহ প্ৰত্যক্ষ বা পৰোক্ষভাৱে চৰকাৰৰ পোহনীয়া ভৃত্যৰ দৰে জীৱন ধাৰণ কৰিবই লাগিব। তেনে এক দস্তুৰ একবিংশ শতিকাত গঢ় লৈ উঠিছে। উমি উমি জ্বলি থকা ক্ষোভৰ তুঁহ জুই ভমককৈ এদিন জ্বলি উঠিব। এই আন্দোলন কোনো বিদেশী শক্তিৰ বিৰুদ্ধে নহয়; জাতীয় ক্ষমতাধাৰীৰ বিৰুদ্ধে আৰম্ভ হ'ব। এনে পৰিৱেশ কোনোৱে কামনা নকৰে; পৰিস্থিতিয়ে বাধ্য কৰাব পাৰে শিক্ষিত জ্ঞান-বুদ্ধিৰ ভোটাৰক তেনে পদক্ষেপ ল'বলৈ। অনুৎপাদনশীল আঁচনিসমূহে জনতাক বিপদাপন্ন কৰি যেতিয়া সংকটত পেলাব, তেতিয়াই দেশৰ বাবে নামি আহিব অশনি সংকেত। আধুনিক ৰাষ্ট্ৰসমূহত ক্ষমতা কুক্ষিগত কৰি ৰখাৰ ধাৰাবাহিকতা দেশে দেশে বৃদ্ধি হৈ গৈ আছে। জনতা জনাৰ্দনৰ বিশাল ভাৰততো এনে পৰিস্থিতিৰ ৰেঙণি দেখিবলৈ পোৱা গৈছে। ইতিমধ্যে কেইবাখনো ৰাষ্ট্ৰ এনে পৰিস্থিতিৰ ভুক্তভোগী। নেপাল, শ্ৰীলংকা, ইৰান আদি ৰাষ্ট্ৰত বছৰ বছৰ ধৰি ক্ষমতা হস্তগত কৰি ৰখাৰ ফলত ভয়াৱহ ৰূপত ক্ষোভৰ উদ্‌গিৰণ সকলোৱে প্ৰত্যক্ষ কৰিছে। ভাৰতত এনে পৰিস্থিতি কাৰো কাম্য নহয়। শাসনৰ গতিবিধিয়েহে ভৱিষ্যতৰ তেনে ইংগিত বহন কৰিছে। ইয়াৰ উত্তৰত বিভিন্ন প্ৰসংগৰ কথা আহি পৰিছে। ২০২৪ চনৰ মাৰ্চলৈকে এক পৰিসংখ্যা অনুসৰি ভাৰতত পঞ্জীয়ন কৰা ভোটাৰৰ সংখ্যা হৈছে ৯৬.৮৮ কোটি, ২০১৯ চনৰ তুলনাত ৮ শতাংশ বেছি। ২০২৪ চনৰ SSR (Special Summary Revision) মতে, ১৮ বছৰৰ পৰা আৰম্ভ কৰি জীয়াই থকালৈ ভাৰতৰ নিৰ্বাচন আয়োগে ভোটাৰক কেইবাটাও শ্ৰেণীত ভাগ কৰিছে। ১৮ৰ পৰা ১৯লৈ নতুন ভোটাৰ হৈছে— ২ শতাংশ (১,১৬৪৮,০৯), ২০-২৯ বছৰ বয়সৰ ভোটাৰ ২০.৫ শতাংশ (১৭,৮১,১৪,২), ৩০-৩৯ বছৰ বয়সৰ ভোটাৰ ২৩ শতাংশ, ৪০-৪৯ বয়সৰ ভোটাৰ ২১ শতাংশ, ৫০-৫৯ বছৰৰ ১৬.৫ শতাংশ, পাছলৈ ক্ৰমান্বয়ে ভোটাৰৰ সংখ্যা কমি আহিবলৈ ধৰে। ৬০-৬৯ বছৰলৈ ১০ শতাংশ, ৭০-৭৯লৈকে ৫ শতাংশ আৰু আশীৰ উৰ্ধ্বৰ মাত্ৰ ২ শতাংশহে। ২০২৫ চনত ভোটাৰৰ এই সংখ্যা বাঢ়ি ৯৯.১ কোটিলৈ বৃদ্ধি হয়। ইয়াৰ অধিকসংখ্যক ভোটাৰ ১৮-৫০ বছৰৰ বাবে দেশৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। ৰাজনৈতিক দলবোৰে গৰিষ্ঠসংখ্যক ভোটাৰক ৰাজনৈতিক কুচকাৱাজৰ দ্বাৰা বান্ধি ৰাখিবলৈ নানা প্ৰয়াস চলায়। এখন চৰকাৰে মাত্ৰ পাঁচ বছৰৰ বাবে শাসনৰ ক্ষমতা পালেও দেশৰ সামগ্ৰিক বহু জ্বলন্ত সমস্যা সমাধানৰ আশাত ৰাইজ হতাশ হ'বলগীয়া হয়। চৰকাৰৰ বৰমূৰীয়াসকল একোটা ৰাজনৈতিক দলৰ নেতা বাবে সকলো সময়তে মন-মগজু দলৰ হিতৰ বাবে মগ্ন হৈ থাকে। সকলো সময়তে প্ৰতিপক্ষ ৰাজনৈতিক দলক মূৰ দাঙি উঠিব নোৱাৰাৰ কামত ব্যস্ত থাকে। বেপৰোৱা কথাৰে জনতাকো বিভ্ৰান্ত কৰি মূল সমস্যাৰ পৰা আঁতৰাই ৰাখে। সকলো ৰাজনৈতিক নেতাৰে এনে অভিপ্ৰায় ৰাজনৈতিক বৃত্তি হৈ পৰিছে। ইয়াৰ ফলত ক্ষতি হৈছে দেশৰ জনতাৰ। আকৰ্ষণীয় আঁচনিৰ জৰীবন্ধনেৰে বান্ধি ৰাখিব নোৱাৰিলে মুঠিৰ ধন ওলাই যোৱাৰ শংকা থাকে। নিৰ্বাচনৰ আগে আগে ৰাইজৰ ওচৰ চাপি পুনৰ পাঁচ বছৰৰ বাবে ৰাজ্যভাৰ ল'বলৈ ধন-জন-বাহুবলৰ সৰ্বোত্তম শক্তি উজাৰি দিয়ে, ডিঙিৰ সিৰ ফুলাই কথা কওঁতে মাত ভাঙি যায়। আকাশে-বতাহে, নৈ-পথেৰে নিজক ঠেলি নিয়ে ৰাইজৰ ওচৰলৈ। বিশেষকৈ শাসকীয় দলে সৰ্বস্ব উজাৰি দি ৰাইজক নিজৰ পক্ষত ৰাখিবলৈ চেষ্টা কৰে, কাৰণ শাৰীৰিক আৰু মানসিক শক্তিক কুক্ষিগত কৰি ৰাখিব পাৰিলে দলৰ বাবে মংগল। যোৱা দুটা দশকৰ পৰা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে শিক্ষাৰ্থীক সন্তুষ্ট কৰিবলৈ চৰকাৰী শিক্ষানুষ্ঠানত বিনামূলীয়া নামভৰ্তিৰ উপৰি বিভিন্ন জলপানীৰ ব্যৱস্থাৰে বান্ধি ৰখাৰ চেষ্টা অব্যাহত ৰাখিছে। এনে কৰিবলৈ যাওঁতে শিক্ষাৰ লগত জড়িত প্ৰকৃত মৌলিক সমস্যাৰ ভৌতিক আৰু আধিভৌতিক কথাবোৰৰ গুৰুত্ব কমি গৈছে। ব্যক্তি আৰু সামাজিক স্বতন্ত্ৰতা ক্ৰমান্বয়ে লোপ পাই অহাৰ ফলত বস্তুবাদী ধ্যান-ধাৰণাই প্ৰতিজন শিক্ষাৰ্থীক মুক্ত চিন্তাধাৰাৰ পৰা বঞ্চিত কৰিছে। যি সময়ত দেশৰ গণতন্ত্ৰৰ জ্ঞান আহৰণৰ উপৰি দেশ পৰিচালনাৰ দায়িত্ব বহন কৰাৰ কথা মনলৈ আহিব লাগে, সেই সময়ত দলীয় ৰাজনীতিৰ মেৰপেঁচত সোমাই পৰে। দলবোৰে কেৱল লোভনীয় ললিপোপ খুৱাই দলৰ ক্ষমতা হস্তগত কৰি ৰখাৰ চেষ্টাত বৰ্তি থাকে। ২০২৬ত অসমত বিধানসভা নিৰ্বাচনৰ ৰণদুণ্ডুভি বজাবলৈ সাজু হৈছে ৰাজনৈতিক দলবোৰ। তেওঁলোকক লাগে মাথোঁ নিৰ্বাচনৰ দিন-বাৰ। ইয়াৰ বাবে দলবোৰক ৰাইজৰ ওচৰ চাপিবলৈ শক্তিশালী নিৰ্বাচনী ইছ্যুৰ প্ৰয়োজন; কংগ্ৰেছে যদি বৰ অসমৰ কথা কৈছে, ঠিক তেনেদৰে এনডিএই মিঞামুক্ত অসমৰ কথাৰে নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ যো-জা চলাইছে। কংগ্ৰেছ দলৰ সৈতে আন বিৰোধী দলে জোঁটবন্ধনেৰে নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰি শাসনৰ সুবিধা ল'ব বিচাৰিছে। ৰাজনৈতিক দলবোৰে মনে-প্ৰাণে ৰাইজৰ শৈক্ষিক আৰু অৰ্থনৈতিক প্ৰগতি হোৱা বিচাৰেনে? যদি বিচাৰে তেনেহ'লে স্বৰাজোত্তৰ কালৰ প্ৰতিখন চৰকাৰে সংখ্যাগৰিষ্ঠ দুখীয়া শ্ৰেণীৰ লোকক দক্ষতা অনুযায়ী সাহায্য প্ৰদানৰ ব্যৱস্থা কিয় নকৰে? এজন খেতিয়কে কৃষিকৰ্মত অধিক মন-প্ৰাণ দি খেতি কৰাৰ হাবিয়াস সৃষ্টি কৰিবলৈ যি আধুনিক কৃষি-সঁজুলিৰ প্ৰয়োজন তেনে ব্যৱস্থা নকৰি খুৱাই-বুৱাই ৰাখিবলৈ কৰা যত্ন একপ্ৰকাৰ অকামিলা মানুহক ভৰণ-পোষণ দি থকা। কাৰণ দেউতাৰ ডাইনিং টেবুলত খোৱাৰ চিন্তা নাথাকিলে ম'বাইল, দুচকীয়া বা জোৱা-টাপলি মাৰি চাৰিচকীয়া গাড়ী আদি অভাৱৰ তালিকাত সোমাই পৰিবই। ইয়াৰ ফলতে কিছুমান লোকৰ অৱস্থা বাহিৰে ৰং-চং ভিতৰি কোৱাভাতুৰিসদৃশ হৈছে। কাৰণ, খাবলৈ ভাত, থাকিবলৈ ঘৰ পোৱাৰ পাছত এজন মানুহৰ যি দক্ষতা আছে, তাত মামৰে ধৰিবলৈ আৰম্ভ কৰে। এখন দেশৰ জনতাৰ ভিন্ন দক্ষতাৰ বিকাশ আঁচনিয়ে সৰ্বত্তোম বিকাশ সম্ভৱ কৰি তোলে। এনে বিভিন্ন দক্ষতাৰ সৈতে বিভাগীয় মন্ত্ৰীয়ে সংগ্ৰামী জনতাক সজাগ কৰি ৰখোৱাত আঁচনিসমূহ প্ৰস্তুত কৰিলে প্ৰকৃতাৰ্থত দেশৰ উন্নয়ন নিশ্চিত।

ফোন ঃ 91011-22638

## সম্পাদকলৈ চিঠি

## প্ৰেমৰ দিন আৰু আন এক অনুভৱ

‘ভেলেণ্টাইন ডে'ৰ জন্মকথা সকলোৰে

এইখিনিতেই আনজন অত্যধিক ভাগি পৰিছে।

Scanned with OKEN Scanner